**REGIONAL NEWS UNIT**
AKASHVANI : GUWAHATI
0000000000

**Date :** 11-03-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::::**

অসম বিধানসভাত আজি ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেটক লৈ আলোচনা অনুষ্ঠিত হয়। আলোচনাত ভাগ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ৰাজ্যখনৰ মূলধনী ব্যয় বৰ্তমান যথেষ্ট বৃদ্ধি হৈছে। ২০১৫-১৬ বৰ্ষত এই ব্যয় ২ হাজাৰ ৯৫১ কোটি আছিল বুলি উল্লেখ কৰি তেওঁ কয়, যে ২০২৪-২৫ বৰ্ষত এই পৰিমাণ ২৪ হাজাৰ ৯৬৪ কোটি টকালৈ বৃদ্ধি হৈছে। ইয়াৰ ফলস্বৰূপে ৰাজ্যখন মূলধনী ব্যয়ৰ ক্ষেত্ৰত দেশৰ আগশাৰীৰ ৰাজ্যসমূহৰ ভিতৰত এখন অন্যতম ৰাজ্য হ'বলৈ সাজু হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ দেশৰ বৰ্তমান সামগ্ৰিক বিকাশৰ হাৰ ৯ শতাংশৰ তুলনাত অসমৰ বিকাশৰ হাৰ ১৪ৰ পৰা ১৫ শতাংশ বুলি উল্লেখ কৰে। ৰাজ্য চৰকাৰৰ ধ্বজাবাহী আঁচনি অৰুণোদয়ৰ জৰিয়তে তৃণমূল পৰ্যায়ত অৰ্থনীতিৰ বিকাশ ঘটিছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে দেশৰ প্ৰায় ৫ খন ৰাজ্যই অৰুণোদয় আঁচনিৰ দ্বাৰা অনুপ্ৰাণিত হৈ এনেধৰণৰ আঁচনি ৰূপায়ণ কৰিছে। তেওঁ কয়, যে ৰাজ্যৰ ১৭টা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান বৰ্তমান সময়ত লাভজনক পৰ্যায়ত আছে আৰু এই প্ৰতিষ্ঠানসমূহে সামূহিক মুঠ সম্পদত প্ৰায় ৪০ হাজাৰ কোটি টকাৰ অৰিহনা যোগাইছে। ৰাজ্য চৰকাৰে মহানগৰৰ সংখ্যা বৃদ্ধি কৰাৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় জিলাক অসমৰ দ্বিতীয়খন ৰাজধানী হিচাপে গঢ়ি তোলাৰ পৰিকল্পনাৰ কথা প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিক লৈ বিৰোধীয়ে সমালোচনা কৰাৰ বিষয়ত অসন্তুষ্টি প্ৰকাশ কৰি ড০ শৰ্মাই কয়, যে এই আঁচনি ৰূপায়ণৰ ফলত স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰা কোনো এগৰাকী ছাত্ৰীয়ে আধাতে কলেজ এৰিবলগীয়া হোৱা নাই। আঁচনিখনৰ দ্বিতীয় পৰ্যায়ত ইয়াৰ সুবিধাসমূহ আৰু অধিক সম্প্ৰসাৰিত কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে স্নাতক হোৱাৰ পাছত যুৱক-যুৱতীসকলৰ জীৱন সংগ্ৰামৰ কথা উল্লেখ কৰি কয়, যে নিয়োগৰ সন্ধানত থকা যুৱক-যুৱতীসকলক বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সময়ছোৱাত আৰ্থিক সকাহ প্ৰদানৰ বাবে চৰকাৰে পৰিকল্পনা লৈছে। এতিয়াৰে পৰা এনে যুৱক-যুৱতীসকলক জীৱন প্ৰেৰণা আঁচনিৰ অধীনত প্ৰতিমাহে ২ হাজাৰ ৫০০ টকাকৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

০০০০

ৰাজ্যত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত জিলা পৰিষদ পৰ্যায়ত ৫৯৪টা আৰু উন্নয়ন খণ্ড পৰ্যায়ত ২ হাজাৰ ৭১০টা পদ খালী হৈ আছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বিধানসভাত বিধায়ক জাকিৰ হুছেইন সিকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে খালী হৈ থকা পদসমূহ প্ৰয়োজন সাপেক্ষে পূৰণ কৰাৰ লগতে পৰ্যায়ক্ৰমে পদোন্নতিৰ ব্যৱস্থা কৰা হ'ব। বিভাগটোৰ

অধীনত বৰ্তমান ৭ হাজাৰ ৫৮৭ জন ঠিকাভিত্তিক কৰ্মচাৰী বিভিন্ন পৰ্যায়ত কৰ্মৰত হৈ আছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

সোণোৱাল-কছাৰী জনগোষ্ঠীৰ পৰম্পৰাগত খ্ৰীং খ্ৰীং বাইথ' পূজা ধৰ্মীয় পৰম্পৰা, লোক বিশ্বাস আৰু ৰীতি-নীতিৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি পালন কৰা হৈছে। এই পূজাত সোণোৱাল-কছাৰীসকলে তেওঁলোকৰ আৰাধ্য দেৱতা ভগৱান শিৱৰ প্ৰতি পূজা-অৰ্চনা আগবঢ়ায়। জনবিশ্বাস মতে এই পূজাৰ দ্বাৰা আৰাধ্য দেৱতাগৰাকী সন্তুষ্ট হৈ সমাজৰ পৰা অপায়-অমংগল দূৰ কৰে।

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসন, সোণোৱাল-কছাৰী স্বায়ত্ত শাসিত পৰিষদ আৰু খোৱাং আঞ্চলিক আঠাবাৰী গাঁও খ্ৰীং খ্ৰীং বাইথ' পূজা উদযাপন সমিতিৰ সহযোগত খোৱাঙৰ বাইথ' মন্দিৰত আয়োজন কৰা এই পূজাত আজি সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টিৰে সমৃদ্ধ অসমীয়া জাতিৰ এনে সাতামপুৰুষীয়া কৃষ্টিক সংৰক্ষণ কৰাৰ বাবে প্ৰয়াস চলোৱাটো সকলোৰে দায়িত্ব বুলি উল্লেখ কৰে। অনুষ্ঠানত জাতিটোৰ হকে দীৰ্ঘদিন ধৰি সেৱাই আগবঢ়াই অহা কেইবাগৰাকীও ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যৰ পৌৰহিত্যত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আজি ত্ৰয়োবিংশতিতম দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হয়। অসমীয়া ডাটা আধুনিকীকৰণ আৰু কৃত্ৰিম বুদ্ধিমত্তা বিশেষজ্ঞ, চলচ্চিত্ৰ নিৰ্মাতা তথা কেলিফৰ্ণিয়াত কৰ্মৰত ডঃ ৰূপম শৰ্মাই সমাৰোহত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। ৰাজ্যপালগৰাকীয়ে ভাষণ প্ৰসংগত বৰ্তমান সময়ত শিক্ষাৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বান আৰু নতুন পদ্ধতিৰে কিদৰে নিজৰ লগতে সমাজখনক আগুৱাই লৈ যাব পাৰি সেই সন্দৰ্ভত আলোকপাত কৰে। ভাষাবিদ নাহেন্দ্ৰ পাডুনক সমাৰোহত সন্মানীয় ডি. লীট উপাধি প্ৰদান কৰা হয়। প্লাজমা  বিজ্ঞানী ডঃ জয়ন্তী চুতীয়া সন্মানীয় ডি এছ্‌ চি উপাধি প্ৰদান কৰা হয়। সমাৰোহত এহেজাৰ ৮৮৮ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান কৰা হয়। ১১৪ গৰাকী ডক্টৰেট ডিগ্ৰী প্ৰদান কৰাৰ লগতে ৩৮ গৰাকী কৃতি শিক্ষাৰ্থীক স্বৰ্ণপদক প্ৰদান কৰা হয়। ৰাজ্যপালে মুঠ ৩৫ গৰাকী শ্ৰেষ্ঠ স্নাতকোত্তৰ শিক্ষাৰ্থীক স্বৰ্ণ পদক প্ৰদান কৰে। সমাৰোহত ৩ গৰাকী কৃতি শিক্ষাৰ্থীক বিজ্ঞান, কলা আৰু বাণিজ্য শাখাৰ শ্ৰেষ্ঠ স্নাতকৰ স্বৰ্ণ পদক প্ৰদান কৰা হয়।

০০০০

কণীধানৰ খেতিৰ ব্যৱসায়িক চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি কৃষকসকলক সচেতন কৰাৰ উদ্দেশ্যে ধেমাজি জিলাৰ বিভিন্ন প্ৰান্তত প্ৰশিক্ষণ কাৰ্যসূচী আয়োজন কৰা হৈছে। জিলাখনৰ কৃষি বিজ্ঞান কেন্দ্ৰই ডেকাপাম নাহৰণি গাওঁত দুদিনীয়া কাৰ্যসূচীৰে আজিৰ পৰা এই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰে। কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানীসকলে কণীধানৰ বিভিন্ন পদ্ধতি সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰে। জিলাখনৰ বিভিন্ন প্ৰান্তত ৩১ গৰাকী প্ৰগতিশীল কৃষকৰ লগতে মহিলা কৃষকেও এই প্ৰশিক্ষণত অংশ লয়।

০০০০

ঃঃ সমাপ্ত ঃঃ